# Prime Minister Narendra Modi holds telephone conversation with H.E. Mr. Pedro Sánchez, Prime Minister of Spain

February 15, 2023

## স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰ’ ছানচেজৰ সৈতে টেলিফোনিক বাৰ্তালাপ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

ফেব্ৰুৱাৰী 15, 2023

প্ৰদানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি স্পেইনৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত পেড্ৰ’ ছানচেজৰ সৈতে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত কেইবাটাও দ্বিপাক্ষিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ত আলোচনা কৰে। তেওঁলোকে চলি থকা দ্বিপাক্ষিক পদক্ষেপসমূহৰ পৰ্যালোচনা কৰে আৰু শেহতীয়াকৈ হোৱা উচ্চ পৰ্যায়ৰ আদান-প্ৰদান আৰু প্ৰতিৰক্ষা, অৰ্থনৈতিক আৰু বাণিজ্যিক খণ্ডত ক্ৰমবৰ্ধমান সহযোগিতাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। ডিজিটেল আন্তঃগাঁথনি, জলবায়ু কাম-কাজ, স্বচ্ছ শক্তি পৰিৱৰ্তন আৰু বহনক্ষম উন্নয়ন আদি বিষয়ত সহযোগিতা আগবঢ়াবলৈ সহমত প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে স্পেইনৰ প্ৰধানমন্ত্ৰীক বসুধৈৱ কুটুম্বকম (এক পৃথিৱী, এক পৰিয়াল, এক ভৱিষ্যত) বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি একতাক প্ৰসাৰিত কৰাৰ দিশত কাম কৰিবলৈ জি-২০ অধ্যক্ষতাৰ বাবে ভাৰতৰ অগ্ৰাধিকাৰৰ বিষয়ে অৱগত কৰে। প্ৰধানমন্ত্ৰী ছানচেজে ভাৰতৰ জি-২০ অধ্যক্ষতাৰ অধীনত ভাৰতৰ পদক্ষেপক সম্পূৰ্ণ সমৰ্থন আগবঢ়ায়।

দুয়োগৰাকী নেতাই ভৱিষ্যতেও যোগাযোগ ৰক্ষা কৰিবলৈ সন্মত হয়।

নতুন দিল্লী

ফেব্ৰুৱাৰী 15, 2023

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.